# Swarna Bharat Party

स्वर्णभारतपार्टी

G-249 Palam Vihar, Gurgaon 122017
info@swarnabharat.in,http://swarnabharat.in/
*Registered with Election Commission of India*:56/102/2013/PPS-1
*Working President*:Rahul Pandit *Secretary*: Bhoopendra Singh Kanaujia


*Liberty first*

**National Press Release**

*14 May 2018 – for immediate release*

## নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬ ৰ বিৰোধিতা

ভাৰত চৰকাৰে নাগৰিকত্ব বিধেয়ক, ২০১৬ ৰ জৰিয়তে শৰণাৰ্থী আৰু অবৈধ প্ৰবজনকাৰীক বৈধতা দান কৰি নাগৰিকত্ব প্ৰদানৰ যি প্ৰচেষ্টা কৰিছে, স্বৰ্ণ ভাৰত পাৰ্টিয়ে এই পদক্ষেপৰ তীব্ৰ বিৰোধিতা কৰে। কাৰণ ধৰ্মৰ ভিত্তিত হোৱা বিভাজন, ৰক্ষণাবেক্ষণৰ আমি ঘোৰ বিৰোধী। এই সূত্ৰে স্বৰ্ণ ভাৰত পাৰ্টিয়ে, নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ অনুসৰি বিজেপি চৰকাৰে হিন্দু, শিখ, বৌদ্ধ, জৈন আদি বিশেষ কিছু ধৰ্মপন্থী লোকৰ পক্ষ লৈ সহানুভূতিৰে নাগৰিকত্ব প্ৰদানৰ যি ব্যৱস্থা কৰিছে এনে আসোঁৱাহ যুক্ত পদক্ষেপৰ ঘোৰ বিৰোধিতা কৰিছো।

স্বৰ্ণ ভাৰত পাৰ্টিয়ে UNHCR ৰ নিয়মানুসৰিয়েই ভাৰতৰ শৰণাৰ্থী সমস্যা সমূহ সমাধান হোৱাটো বিচাৰে। উল্লেখযোগ্য যে ভাৰতৰ বাহিৰে পৃথিৱীৰ সৰহ সংখ্যক গণতান্ত্ৰিক দেশে সহমতত উপনীত হৈ এই UNHCR ৰ চৰ্তাৱলী মানি লৈ চহী কৰিছে। যাৰ বাবে শৰণাৰ্থী আৰু অৰ্থনৈতিক প্ৰবজনকাৰীৰ সমস্যা সমূহ সমাধান হোৱাত ভাৰতত বৈষম্য আৰু জটিলতাৰ সৃষ্টি হৈছে। তথ্য অনুসৰি এই UNHCR ৰ চৰ্তাৱলীয়ে সকলো শৰণাৰ্থীৰ সমস্যাবোৰ সমাধানকল্পে দিক্‌দৰ্শী উপায় আগবঢ়াইছে। ইয়াৰ এক গুৰুত্বপূৰ্ণ দিশ হ'ল যে শৰণাৰ্থী সকলক স্বদেশত প্ৰতিস্থাপন কৰাত এই নিয়মাৱলীয়ে বিশেষভাৱে সহায় কৰিছে।

ইয়াৰ বিপৰীতে নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ ই সকলো অৰ্থনৈতিক প্ৰবজনকাৰীক স্থায়ী নাগৰিকত্ব প্ৰদানত গুৰুত্ব দিছে। মন কৰিবলগীয়া কথা হ'ল এই বিধেয়কে প্ৰতিজন প্ৰবজনকাৰীক প্ৰশাসনিক তদন্ত কৰাৰ গুৰুত্ব ইয়াত উল্লেখ নাই। স্বৰ্ণ ভাৰত পাৰ্টিয়ে বিশ্বাস কৰে যে ভা ৰতবৰ্ষত অৰ্থনৈতিক শৰণাৰ্থী আগমনৰ সুবিধা আৰু কৰ্মসংস্থানৰ সুবিধাও বিশেষ চৰ্ত অনুসৰিহে প্ৰদান কৰা উচিত। এনে বিচাৰৰ দ্বাৰাইহে অসম চুক্তি ১৯৮৫ ৰ সম্পৰ্কত যি অৰ্ন্তদণ্ডৰ সৃষ্টি হৈছে তাক সমাধান কৰাত সহায়ক হ'লহেতেন। ১৯৮৫ চনৰ অসম চুক্তি মতে যিবোৰ বিদেশী ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে ভাৰতবৰ্ষলৈ আগমন কৰিছিল, সেই সকলোবোৰ লোকেই ধৰ্ম নিৰ্বিশেষে ভা ৰতীয় নাগৰিক বুলি গণ্য কৰা হ'ব। দৰাচলতে সম্প্ৰতি ভাৰতত শৰণাৰ্থী আৰু অৰ্থনৈতিক প্ৰবজনকাৰীৰ মাজত স্পষ্ট বিভাজনৰ প্ৰয়োজন আছে।

নাগৰিকত্ব সংশোধনী বিধেয়কৰ আন এটা আসোঁৱাহ হ'ল যে ইয়াৰ প্ৰকৃতি সম্পূৰ্ণ অসাংবিধানিক। ভাৰতৰ সংবিধানে চ ৰকাৰক ধৰ্মীয় ভিত্তিত নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ দিয়া নাই। জাতিৰ পিতা মহাত্মা গান্ধীয়ে ভাৰতক ধৰ্ম নিৰপেক্ষ দেশ হিচাপে গঢ়াৰ সপোন দেখিছিল। ভাৰতৰ নিচিনা ধৰ্ম নিৰপেক্ষ দেশ এখনত ধৰ্মীয় ভিত্তি কোনো কথাতে একমাত্ৰ বিবেচনাৰ বিষয় হ'ব নোৱাৰে। এনেবোৰ কাৰণতে দেশৰ ইছলাম সম্প্ৰদায়ৰ লোক সকল বিদ্বেষী হৈ উঠিছে। আনকি শৰনাৰ্থী হিচাপেও এই চৰকাৰে ইছলাম, সম্প্ৰদায়ক স্থান দিব বিচৰা নাই। এইবোৰ কাৰণতে স্বৰ্ণ ভাৰত পাৰ্টিয়ে সুস্থ বিবেচনাৰে এই বিধেয়কৰ বিৰোধিতা কৰিছে।

শৰনাৰ্থী সম্পৰ্কত ভাৰত চৰকাৰে আজি শ্বেত-পত্ৰ প্ৰচাৰ কৰি ৰাইজৰ শংকা দূৰ কৰা উচিত। এই সন্দৰ্ভত ভাৰত চৰকাৰে শৰণাৰ্থী পৰিচালনাৰ এক সুস্থিৰ নীতি গ্ৰহণ কৰি সকলো ৰাজ্যতে সমবিতৰণৰ ব্যৱস্থাৰে কোনো ৰাজ্যতে অধিক বোজা নপৰাকৈ আগবঢাৰ পদক্ষেপ লব লাগে। এনে ব্যৱস্থা হ'লেহে সমাজ-সংস্কৃতিৰ সুস্থিৰ বাতাবৰণ বাহাল থাকিব। এনে পৰিপ্ৰেক্ষিততে শৰণাৰ্থী সকলেও চৰ্তগত ভাবে স্থানীয় সংস্কৃতিক আকোৱালী ল'বলৈ বাধ্য হ'ব।।

যিহেতু এই বিধেয়কৰ সংশোধনে গুৰুত্বপূৰ্ণ সাংবিধানিক স্থিতিৰ ওপৰত ক্ৰিয়া কৰিছে, সেয়েহে সংযুক্ত সংসদীয় কমিটিয়ে (জেপিচি)ও ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যত পৰিভ্ৰমণ কৰি আন্তৰিকতাৰে সকলোৰে মতামত লোৱা উচিত। আমি সকলোৰে দায়িত্ব সহকাৰে বিজেপি চৰকাৰক সকীয়াই দিয়া উচিত যে ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ দেশ। একেদৰে শৰণাৰ্থীৰ সংক্ৰান্ততো আন্তৰ্জাতিক নীতি নিয়ম মানি চলা উচিত।

**সম্পাদকলৈ টোকা** ঃ- স্বৰ্ণ ভা ৰত পাৰ্টিয়েই ভাৰতৰ একমাত্ৰ উদাৰ ৰাজনৈতিক দল, যিটো দলে প্ৰতিনিয়ত উদাৰ নীতিৰ সুৰক্ষাৰ লগতে অগ্ৰগতিৰ সপক্ষে বলীষ্ঠ পদক্ষেপ আগবঢ়াই আহিছে।


**যোগাযোগৰ বাবে** ঃ-

ৰাহুল পণ্ডিত (হাইদৰাবাদ), ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি, 91 9703425422

পংকজ দাস (গুৱাহাটী), ৰাজ্যিক সমন্বয়ক, অসম 91 9706049270, daspankaj01@gmail.com

সঞ্জীৱ সভলোক (মেলবৰ্ণ), sabhlok@gmail.com